**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-APR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিৰ বাবে আজি পুৱা ৭ বজাৰ পৰা ভোটগ্ৰহণ।

২। কেৰালামৰ ১৪০টা আৰু পুডুচেৰীৰ ৩০টা সমষ্টিৰ বাবে বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অব্যাহত।

৩। নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া নিৰীক্ষণৰ বাবে অসমলৈ অহা ৭ খন দেশৰ বিদেশী প্ৰতিনিধিৰ দলৰ আজি বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন।

৪। উত্তৰ পূৰ্বাঞ্চলৰ লোকসকলে বলি হৈ অহা বৈষম্যৰ বিষয়টো গুৰুত্ব সহকাৰে ল'বলৈ কেন্দ্ৰীয় চৰকাৰক উচ্চতম ন্যায়ালয়ৰ আহ্বান। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতা নাইট ৰাইডাৰ্ছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ মুখামুখি।

০০০০০০

ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত আজি প্ৰথমবাৰৰ বাবে একেটা পৰ্যায়তে ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। বিধানসভা নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। এইবাৰৰ নিৰ্বাচনত ৫৯ গৰাকী মহিলা প্ৰাৰ্থীকে ধৰি মুঠ ৭২২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ৰাজ্যত এইবাৰ ২ কোটি ৫০ লাখ ৫৪ হাজাৰ ৪৬৩ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিছে। ইয়াৰে ১ কোটি ২৫ লাখ পুৰুষ, ১ কোটি ২৫ লাখ মহিলা আৰু ৩৪৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা। তদুপৰি ৬৩ হাজাৰ ৪২৩ গৰাকী ছাৰ্ভিচ ভোটদাতা আছে। ৰাজ্যখনৰ ৩১ হাজাৰ ৩৮৬টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ নিয়াৰিকৈ পৰিচালনাৰ বাবে এশ শতাংশ ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ ভিতৰত চাৰি হাজাৰ ২১ টা কেন্দ্ৰ মহিলাই পৰিচালনা কৰিছে। এই সময়ছোৱাত শান্তি-শৃংখলা অটুত ৰখাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ কেইবাশ কোম্পানী নিয়োগ কৰা হৈছে। দৰং জিলাৰ দলগাঁও সমষ্টিত সৰ্বাধিক আৰু অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত পশ্চিম কাৰ্বি আংলঙৰ আম্ৰি সমষ্টিত সৰ্বনিম্ন ভোটদাতা আছে বুলি নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে।

ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলে প্ৰতিগৰাকী ভোটদাতাকে নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা নথিপত্ৰসহ ভোটকেন্দ্ৰসমূহলৈ গৈ ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে। প্ৰতিটো ভোটকেন্দ্ৰত খোৱাপানী, প্ৰস্ৰাৱগাৰ আৰু দিব্যাংগসকলৰ বাবে ৰেম্পৰ ব্যৱস্থাকে ধৰি সকলো সা-সুবিধা থকাটো নিশ্চিত কৰা হৈছে। তদুপৰি ভোটকেন্দ্ৰত ম'বাইল ফোন ৰখাৰ ব্যৱস্থা কৰাৰ লগতে ভোটদাতাসকল বহিব পৰাকৈ বেঞ্চৰ ব্যৱস্থা কৰা হৈছে। এই অনুসৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত সৰ্বাধিক এহেজাৰ দুশ গৰাকী ভোটদাতাই ভোটদান কৰিব পাৰিব বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। এই নিৰ্বাচনত ১ লাখ ৫১ হাজাৰ ১৩২ গৰাকী ভোটগ্ৰহণ বিষয়া নিয়োগ কৰা হৈছে। ভোটগ্ৰহণৰ বাবে ৪১ হাজাৰ ৩২০ টা বেলট ইউনিট, ৪৩ হাজাৰ ৯৭৫ টা কণ্ট্ৰ'ল ইউনিট আৰু ৪৩ হাজাৰ ৯৭টা ভি ভি পেট মেচিন ব্যৱহাৰ কৰা হৈছে। ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ পৰিচালনাৰ বাবে জিলাই জিলাই কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে জনসাধাৰণক নিৰ্ভয়ে ভোটগ্ৰহণ কেন্দ্ৰলৈ আহি তেওঁলোকৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

**বাইট (হৰমিত সিং)**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিধানসভা নিৰ্বাচনত ৰাজ্যখনৰ জনসাধাৰণক বিপুল সংখ্যাত ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে ৰাজ্যখনৰ যুৱক-যুৱতী আৰু মহিলা ভোটদাতাসকলক উৎসাহেৰে নিজৰ গণতান্ত্ৰিক অধিকাৰ ৰক্ষা কৰিবলৈ আহ্বান জনায়।

oooooo

ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিৰ বাবে একেটা পৰ্যায়ত আজি পুৱা ৭ বজাৰ পৰা শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ আৰম্ভ হৈছে। নিচেই পুৱাৰে পৰা ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ বাহিৰত ভোটদাতাৰ দীঘলীয়া শাৰী পৰিলক্ষিত হৈছে। ঠাই বিশেষে প্ৰতিকুল বতৰকো নেওচি নাগৰিকসকল ভোটদানৰ বাবে ওলাই অহা বুলি আমাৰ বিভিন্ন জিলাৰ সংবাদদাতাসকলে জানিবলৈ দিছে।

**ধেমাজি** জিলাৰ ধেমাজি, চিচিবৰগাঁও আৰু জোনাই বিধানসভা সমষ্টিত পুৱা ৭ বজাৰ পৰা ভোটদান প্ৰক্ৰিয়া আৰম্ভ হৈছে। ধেমাজিৰ সংবাদদাতা হৰেন্দ্ৰ নাথ শৰ্মাই জনোৱা মতে ধেমাজিৰ পশ্চিম গোগামুখ এম ই স্কুলৰ ভোটগ্ৰহণ কেন্দ্ৰত পুৱাই ধেমাজিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ডা০ ৰণোজ পেগুৱে ভোটদান কৰে।

**ভইচকাষ্ট (হৰেন্দ্ৰ নাথ শৰ্মা)**

**শিৱসাগৰৰ** ডিমৌ শিৱসাগৰ আৰু নাজিৰাৰ মুঠ ৭৪৮টা ভোটকেন্দ্ৰত পুৱাৰে পৰা শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ আৰম্ভ হোৱা বুলি আমাৰ সংবাদদাতাই জনাইছে।

**নগাঁৱতো** পুৱাৰে পৰা ভোটদান প্ৰক্ৰিয়া চলি আছে। প্ৰাক্তন মন্ত্ৰী, সাংসদ বিজেপিৰ প্ৰদ্যুৎ বৰদলৈয়ে বটদ্ৰৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰঘাটৰ মৰিকলং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোটাধিকাৰ সাব্যস্ত কৰে।

**কামৰূপ** মহানগৰ জিলাৰ ৫টা বিধানসভা সমষ্টিৰ বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰত পুৱাৰে পৰা নিয়াৰিকৈ ভোটদান প্ৰক্ৰিয়া চলি আছে। এই সন্দৰ্ভত অধিক জনাইছে আমাৰ সংবাদদাতা হেমন্ত বৰাই –

**ভইচকাষ্ট (হেমন্ত বৰা)**

**কাৰ্বি আংলং** জিলাৰ বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰতো পুৱাৰে পৰা ভোটদান প্ৰক্ৰিয়া চলি আছে। হাওৰাঘাট সমষ্টিৰ অন্তৰ্গত বৰগঙ্গা চৰকাৰী প্ৰাথমিক বিদ্যালয়ত ভোটগ্ৰহণ কেন্দ্ৰত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী লুনছিং টেৰণে পুৱাই ভোটদান কৰে। কাৰ্বি আংলং জিলাত ভোটগ্ৰহণ সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা কাংবুৰা ছিংনাৰ–

**ভইচকাষ্ট (কাংবুৰা ছিংনাৰ)**

**গোলাঘাট** জিলাতো পুৱাৰে পৰা ভোটদান প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে চলি আছে। জিলাখনৰ খুমটাই সমষ্টিৰ বিজেপি প্ৰাৰ্থী প্ৰাৰ্থী মৃণাল শইকীয়াই পুৱাই ভোটদান কৰে। **মাজুলীত** প্ৰতিকুল বতৰকো নেওচি আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱ গোস্বামীয়ে ভোটদান কৰি সকলোকে ভোটদান কৰিবলৈ আহ্বান জনায়। **যোৰহাট** জিলা আৰু বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰত ভোটদাতাসকলে শাৰীপাতি ভোটদান কৰা বুলি আমাৰ সংবাদদাতাই জনাইছে।

oooooo

কেৰালাম আৰু কেন্দ্ৰীয়শাসিত অঞ্চল পুডুচেৰীত আজি বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। কেৰালামৰ ১৪০টা আৰু পুডুচেৰীত ৩০টা সমষ্টিৰ বাবে একেটা পৰ্যায়ত ভোটগ্ৰহণ কৰা হৈছে। পুৱা ৭ বজাত ভোটগ্ৰহণ আৰম্ভ হৈছে আৰু সন্ধিয়া ৬ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। নিৰ্বাচন আয়োগে এই ভোটগ্ৰহণ মুক্ত, নিকা আৰু শান্তিপূৰ্ণ কৰি তুলিবলৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

কেৰালামৰ ১৪০টা সমষ্টিৰ বাবে ৮৮৩ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ৰাজ্যখনৰ ২ কোটি ৭১ লাখ ভোটদাতাই এই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ৰাজ্যখনত ৩০ হাজাৰ ৩৯৫টা ভোটগ্ৰহণ কেন্দ্ৰ

স্থাপন কৰা হৈছে আৰু ইয়াৰে ২ হেজাৰ ৪০টা স্পৰ্শকাতৰ হিচাপে চিহ্নিত হৈছে। নিৰ্বাচনৰ বাবে ৰাজ্যখনত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে আৰু ৭৬ হাজাৰৰো অধিক নিৰাপত্তা কৰ্মী নিয়োগ কৰা হৈছে। ৰাজ্যখনত আজি ভোটগ্ৰহণৰ বাবে ৰাজহুৱা বন্ধৰ দিন ঘোষণা কৰা হৈছে।

পুডুচেৰীৰ ৩০টা বিধানসভা সমষ্টিত ২৯৪ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ৯ লাখ ৫০ হাজাৰ ৬৩৯ গৰাকী ভোটদাতাই কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ এহেজাৰ ৯৯টা ভোটকেন্দ্ৰত ভোটদানৰ সুযোগ লাভ কৰিছে। ভোটদাতাসকলৰ ভিতৰত ২৪ হাজাৰ ৯১৯ গৰাকীয়ে প্ৰথমবাৰৰ বাবে ভোটদানৰ সুযোগ লাভ কৰিছে। ভোটকেন্দ্ৰসমূহৰ ২০৯টা স্পৰ্শকাতৰ আৰু ৫টা জটিল বুলি চিনাক্ত কৰা হৈছে। ৩০টা ভোটকেন্দ্ৰ মহিলাৰ দ্বাৰা, ১৫টা যুৱ প্ৰজন্মৰ বিষয়া-কৰ্মচাৰীৰ দ্বাৰা আৰু দুটা বিশেষভাৱে সক্ষমভাৱে লোকে পৰিচালনা কৰিছে। কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ সংস্কৃতি আৰু ঐতিহ্য প্ৰতিফলিত কৰিব পৰাকৈও ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। পুডুচেৰীত মাইক্ৰ' অবজাৰ্ভাৰ আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ অতিৰিক্ত বাহিনী মোতায়েন কৰা হৈছে।

ইপিনে তামিলনাডুত একেটা পৰ্যায়ত হ'বলগীয়া আৰু পশ্চিমবংগত প্ৰথম পৰ্যায়ত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিম দিন। পশ্চিমবংগত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ মনোনয়ন দাখিলৰো আজি অন্তিম দিন। ৪খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ভোটগণনা অহা ৪ মে'ত অনুষ্ঠিত হ'ব।

০০০০০০

বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া নিৰীক্ষণ কৰাৰ উদ্দেশ্যে কালি অসমলৈ অহা ৭ খন দেশৰ ১৫ গৰাকী বিদেশী প্ৰতিনিধিৰ দলে আজি বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰিব। এঙ্গোলা, ইজিপ্ত, পৰ্টুগাল, মেক্সিকো, শ্ৰীলংকা, বেনিন আৰু ক্ৰোৱেছিয়াৰ প্ৰতিনিধিৰ দলটোৱে কালি কামৰূপ জিলা ভ্ৰমণ কৰি সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ত নিৰ্বাচনী প্ৰক্ৰিয়া পৰ্যবেক্ষণ কৰে। আজি দলটোৱে জিলাখনৰ হাজো শুৱালকুছি আৰু কমলপুৰ বিধানসভা সমষ্টিৰ বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰিব। এই ভ্ৰমণৰ লক্ষ্য হৈছে দেশৰ নিৰ্বাচন আয়োগৰ দ্বাৰা পৰিচালিত শক্তিশালী, সৰ্বাত্মক আৰু প্ৰযুক্তিগত নিৰ্বাচনী ব্যৱস্থাৰ সৈতে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ক পৰিচিত কৰোৱা। তদুপৰি মুক্ত তথা ন্যায়সংগত আৰু সৰ্বাত্মক নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে গ্ৰহণ কৰিবলগীয়া প্ৰস্তুতি আৰু প্ৰশাসন ব্যৱস্থাৰ বুজ লোৱাৰ বাবেও তেওঁলোক অসমলৈ আহিছে। দলটোৱে ইয়াৰ আগেয়ে কালি ক্ষেত্ৰ পৰ্যায়ত নিৰ্বাচনৰ প্ৰস্তুতি পৰ্যবেক্ষণ কৰাৰ উদ্দেশ্যে নিৰ্বাচনী সামগ্ৰী কেন্দ্ৰ আৰু নিয়ন্ত্ৰণ কক্ষসমূহ পৰিদৰ্শন কৰে।

০০০০০০

এইবাৰৰ অসম বিধানসভা নিৰ্বাচনত ৭২২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ইয়াৰে ৬৬৩ জন পুৰুষ আৰু ৫৯ গৰাকী মহিলা প্ৰাৰ্থী। ৰাজ্যৰ ৭৮ টা বিধানসভা সমষ্টিত কোনো মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়োৱা নাই। এই সমষ্টিসমূহৰ ভিতৰত আছে হাওৰাঘাট, আমৰি, লখিমপুৰ, বৰাক উপত্যকাৰ উদাৰবন্দ, কাটিগড়া, শিলচৰ, সোণাই, হাইলাকান্দি, ঢলাই, আলগাপুৰ কাটলিচেৰাত, উজনি অসমৰ শিৱসাগৰ, নাজিৰা, মাজুলী, যোৰহাট, ঢেকিয়াজুলি, ৰঙাপৰা, নদুৱাৰ, বৰক্ষেত্ৰী, নলবাৰী, টিহু, ভৱানীপুৰ, সৰভোগ, পলাশবাৰী, পূৱ গোৱালপাৰা ইত্যাদি। বিজেপিয়ে ছগৰাকী কংগ্ৰেছে ১৩ গৰাকী, এছ ইউ চি আই ১২ গৰাকী, অসম গণ পৰিষদে এগৰাকী, আম আদমী পাৰ্টীয়ে ৩ গৰাকী, অসম জাতীয় পৰিষদে এগৰাকী, ৰাইজৰ দলে এগৰাকী, চি পি আই এমে এগৰাকী, ঝাৰখণ্ড মুক্তি মৰ্চাই এগৰাকী আৰু তৃণমূল কংগ্ৰেছ দলে দুগৰাকী মহিলাক প্ৰাৰ্থীত্ব দিছে।

ইপিনে, এইবাৰৰ নিৰ্বাচনত ৪০ বছৰৰ অনুৰ্ধ ৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ১৮ ৰ পৰা ১৯ বছৰ বয়সৰ ৬ লাখ ৪২ হাজাৰ ৩১৪ গৰাকী ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলগীয়া এইবাৰৰ নিৰ্বাচনত এই নৱ প্ৰজন্ম প্ৰাৰ্থীসকলে প্ৰতিদ্বন্দিতা কৰিছে। নিৰ্বাচনৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছে তিনিচুকীয়াত ৩৮ বছৰীয়া ডেভিদ টি ফুকন, চামগুৰিত ২৭ বছৰীয়া তানজিল হুছেইন আৰু আলগাপুৰ কাটলিচেৰাত ৩৪ বছৰীয়া জুবেইল আনন্দ মজুমদাৰক প্ৰাৰ্থিত্ব দিছে। বিজেপিয়ে হাফলঙত ৩৬ বছৰীয়া ৰূপালী লাংথাছা আৰু পশ্চিম গোৱালপাৰাত ৩০

বছৰীয়া পবিত্ৰ ৰাভাক প্ৰাৰ্থিত্ব দিছে। ৰাইজৰ দলে মৰিয়নি সমষ্টিত ৩৪ বছৰীয়া ড° জ্ঞানেশ্ৰী বৰাক আৰু মাৰ্ঘেৰিটা সমষ্টিত ৩০ বছৰীয়া ৰাহুল চেত্ৰীক প্ৰাৰ্থিত্ব আগবঢ়াইছে। অসম জাতীয় পৰিষদ দলে মধ্য গুৱাহাটী সমষ্টিত ২৭ বছৰীয়া কুংকি চৌধুৰীক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। উল্লেখযোগ্য যে এইবাৰৰ নিৰ্বাচনত ২ লাখ ৫ হাজাৰ ৮৫ গৰাকী বিশেষভাৱে সক্ষম আৰু দুহেজাৰ ৪৬৬ গৰাকী শতায়ু গৰকা ভোটদাতাই ভোটদানৰ সুযোগ লাভ কৰিছে।

০০০০০০

উচ্চতম ন্যায়ালয়ে দেশৰ বিভিন্ন প্ৰান্তত উত্তৰ পূৰ্বাঞ্চলৰ লোকসকলে বলি হৈ অহা বৈষম্যৰ বিষয়টো গুৰুত্ব সহকাৰে ল'বলৈ কেন্দ্ৰীয় চৰকাৰক আহ্বান জনাইছে। এই সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰক আদালতে নিৰ্দেশ দিয়া অনুসৰি গঠিত নিৰীক্ষণ সমিতিৰ বৈঠক অনুষ্ঠিত নকৰাৰ বাবে ন্যায়ালয়ে কালি প্ৰশ্ন উত্থাপন কৰে। উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ সঞ্জয় কুমাৰ আৰু কে বিনোদ চন্দ্ৰনৰ বিচাৰপীঠে এই বিষয়টো নিষ্পত্তিৰ বাবে প্ৰতি তিনি মাহত বৈঠক অনুষ্ঠিত নকৰাক লৈ সমালোচনা কৰে। বিচাৰপীঠখনে কয়, যে ১৫ ডিচেম্বৰৰ পাছৰেপৰা এই সন্দৰ্ভত গঠিত সমিতিৰ বৈঠক অনুষ্ঠিত নকৰাটোৱে বিষয়টোক লঘু দৃষ্টিভংগীৰে গণ্য কৰা বুলি প্ৰতীয়মান হয়। সৰ্বোচ্চ ন্যায়ালয়ৰ কঠোৰ নিৰ্দেশৰ পাছত ১৫ মাৰ্চত এখন বৈঠক অনুষ্ঠিত হয় যদিও ইয়াৰ পৰৱৰ্তী বৈঠকৰ তাৰিখ সন্দৰ্ভত উল্লেখ কৰা হোৱা নাই বুলিও বিচাৰপীঠখনে প্ৰকাশ কৰে। বিচাৰপীঠখনে লগতে স্পৰ্শকাতৰ বিষয়টোক যথেষ্ট গুৰুত্ব সহকাৰে ল'বলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত কলকাতা নাইট ৰাইডাৰ্ছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে দেলহী কেপিটেলছক এক ৰানত পৰাস্ত কৰে। ২১১ ৰানৰ লক্ষ্য অনুসৰণ কৰি দেলহী কেপিটেলছে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ২০৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। দেলহীৰ হৈ কে এল ৰাহুলে সৰ্বাধিক ৯২ ৰান কৰে। গুজৰাট টাইটানছৰ হৈ ৰছিদ খানে ৩টা, প্ৰসিদ্ধ কৃষ্ণাই দুটা আৰু মহম্মদ ছিৰাজে এটা উইকেট দখল কৰে। ৰছিদ খানক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। ইয়াৰ আগেয়ে প্ৰথমে বেট ধৰি গুজৰাট টাইটানছে ২০ অভাৰত ৪টা উইকেটৰ বিনিময়ত ২১০ ৰান সংগ্ৰহ কৰে। শুভমন গিলে সৰ্বাধিক ৭০ আৰু ৱাশ্বিংটন সুন্দৰে ৫৫ ৰান সংগ্ৰহ কৰে। দেলহী কেপিটেলছৰ হৈ মুকেশ কুমাৰে দুটা উইকেট দখল কৰে।

০০০০০০

ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিত আজি প্ৰথমবাৰৰ বাবে একেটা পৰ্যায়তে ভোটগ্ৰহণ অনুষ্ঠিত হোৱাৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন বাতৰি কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **অসমীয়া প্ৰতিদিন** আৰু **আমাৰ অসম** কাকতে এইবাৰ নিৰ্বাচনত ৫৯ গৰাকী মহিলা প্ৰাৰ্থীকে ধৰি মুঠ ৭২২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাৰ বাতৰিটো প্ৰকাশ কৰিছে। কেৱল মহিলাই ৪,০২১ টা ভোটগ্ৰহণ কেন্দ্ৰ পৰিচালনা কৰিব। এই বাতৰিটো **নিয়মীয়া বাৰ্তা** আৰু **অসমীয়া খবৰ** কাকতে প্ৰকাশ কৰিছে। এইবাৰ ৰাজ্যত শতবৰ্ষ গৰকা ২,৪৪৬ গৰাকী ভোটদাতা থকাৰ বাতৰিটো **দৈনিক অসম** কাকতে প্ৰকাশ কৰিছে।

ইৰান আৰু আমেৰিকা-ইজৰাইলৰ মাজত হোৱা ৪০ দিনীয়া যুদ্ধৰ পাছত দেশকেইখনে ১৪ দিনীয়া যুদ্ধ বিৰতিৰ প্ৰস্তাৱত সন্মত হোৱাৰ বাতৰিটো **দি আছাম ট্ৰিবিউন** আৰু **দা ছেণ্টিনেল** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইৰানৰ বিৰুদ্ধে দুসপ্তাহৰ যুদ্ধ বিৰতি ঘোষণা কৰাৰ লগে লগে আন্তঃৰাষ্ট্ৰীয় বজাৰত খাৰুৱা তেলৰ দাম ১৫ শতাংশ হ্ৰাস পাইছে। এই বাতৰিটোক **দৈনিক জনমভূমি** কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া নিৰীক্ষণ কৰাৰ উদ্দেশ্যে কালি অসমলৈ অহা ৭ খন দেশৰ ১৫ গৰাকী বিদেশী প্ৰতিনিধিৰ দলে আজি বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰাৰ বাতৰিটো **দৈনিক অগ্ৰদূত** কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

আহক এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে আজিৰ পৰা **পৰিপুষ্টি পযেক**ৰ অষ্টম সংস্কৰণ ৰূপায়ণ কৰিব। দেশৰ পৰা পৰিপুষ্টিজনিত সমস্যা দূৰ কৰি সুস্থ ভাৰত গঢ়াৰ লক্ষ্যৰে এই কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে এইবাৰ জীৱনৰ প্ৰথম ছবছৰত শিশুৰ মগজুৰ বিকাশ সৰ্বাধিক কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত বিয়লি ৩ বজাৰ পৰা আয়োজিত অনুষ্ঠানত এই পযেকৰ শুভাৰম্ভ কৰা হ'ব। এই সময়ছোৱাত শিশুৰ জন্মৰ পৰা প্ৰথম এহেজাৰ দিনৰ পৰিপুষ্টি নিশ্চিত কৰা, হিতাধিকাৰী সকলৰ মাজত পৰিপুষ্টি নিৰ্ণয়ৰ বাবে পৰ্যালোচনা কৰা, স্বাস্থ্য সন্মত জীৱনশৈলী গঢ়ি তুলি শিশুৰ মেদবহুলতা নিয়ন্ত্ৰণ কৰা আৰু সামগ্ৰিকভাৱে স্বাস্থ্য আৰু পৰিপুষ্টি নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। এই ১৫ টা দিনত সমগ্ৰ দেশৰ অংগনবাড়ী কেন্দ্ৰসমূহত মাতৃ, অভিভাৱক, পৰিয়াল আৰু স্থানীয় সংগঠনসমূহৰ সহযোগিতাৰে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। ইয়াৰ ভিতৰত পুষ্টি পঞ্চায়ত, সজাগতামূলক অভিযান, খেল-ধেমালীৰ মাধ্যমেৰে শিক্ষণ আৰু সুস্থ জীৱনশৈলী প্ৰসাৰৰ কাৰ্যসূচী লোৱা হ'ব।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনি অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল, নাগালেণ্ড আৰু মণিপুৰৰ কোনো কোনো অংশত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অৰুণাচল প্ৰদেশ, মিজোৰাম, আৰু ত্ৰিপুৰাৰ কিছু কিছু অঞ্চলত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**